Sample Question Paper

2024-25

Class -X

Subject- Assamese

Subject code- 014

Time: 3 hours Full marks: 80

Section A

Comprehension (বোধ পৰীক্ষণ)

1) a) তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ বাছি উলিয়াই লিখা। 9x1=9

বাতৰি কাকত

ভাৰতবৰ্ষত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰপৰাই বাতৰি কাকতৰ প্ৰচলন হৈছিল। ভাৰতৰ প্ৰথম বাতৰি কাকতৰ নাম আছিল 'ইণ্ডিয়া গেজেট'- ১৭৪৪ চন। ইয়াৰ পিছৰপৰাই ইংৰাজী আৰু দেশীয় বিভিন্ন ভাষাত বাতৰি কাকত প্ৰকাশিত হবলৈ ধৰে।

অসমত প্ৰথমখন বাতৰি কাকত খ্ৰীষ্টান মিছনেৰীসকলে ১৮৪৬ চনত প্ৰকাশ কৰে । কাকতখনৰ নাম আছিল অৰুনোদই। ইয়াৰ পিছত আসাম বিলাসিনী, আসাম বন্ধু, মৌ, জোনাকী, বিজুলী, ঊষা, বাঁহী, চেতনা, আৱাহন, জয়ন্তী, ৰামধেনু আদি প্ৰকাশিত হয় আৰু কালৰ গৰ্ভত হেৰাই যায়। সম্প্ৰতি অসমত বাতৰি কাকতৰ প্ৰচলন বৃদ্ধি পাইছে। অসমীয়া ভাষাৰ উপৰিও ইংৰাজী, বাংলা, হিন্দী আদি ভাষাতো দৈনিক বাতৰি কাকত প্ৰকাশ পাইছে। দৈনিক জনমভূমি, আমাৰ অসম, দৈনিক অসম, অসমীয়া প্ৰতিদিন, আজি, দৈনিক জনসাধাৰণ, দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তা আদি দৈনিক বাতৰি কাকত প্ৰকাশিত হৈ আহিছে। তদুপৰি বিস্ময়, ৰহস্য, মায়া, প্ৰকাশ, গৰীয়সী, সাতসৰী আদি আলোচনী নিয়মীয়াকৈ ওলাই আছে। তেনেদৰে মহিলা আলোচনী- নন্দিনী, প্ৰিয়সখী আদিৰ নাম উল্লেখযোগ্য। ইংৰাজী দৈনিক ভিতৰত The Assam Tribune, The Sentinel, The North East Times আদি উল্লেখযোগ্য।

বাতৰি কাকত সাধাৰণতে তিনি প্ৰকাৰৰ- বাতৰিপ্ৰধান, বাৰ্তা আৰু প্ৰবন্ধ মিশ্ৰিত কাকত আৰু আলোচনী কাকত। প্ৰথম বিধৰ কাকতত প্ৰধানকৈ দেশ- বিদেশৰ বা- বাতৰি থাকে। দ্বিতীয় বিধত বা- বাতৰিৰ উপৰিও বিশ্বৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি,বিজ্ঞান, বাণিজ্য, সাহিত্য, সংস্কৃতি, খেল- ধেমালি, আমোদ-প্ৰমোদ সম্বন্ধীয় প্ৰবন্ধ আদিও প্ৰকাশিত হয়। তৃতীয় বিধত বিভিন্ন বিষয়ৰ প্ৰবন্ধ- পাতি, গল্প, কবিতা, উপন্যাস আদি প্ৰধানকৈ প্ৰকাশিত হয়।

দেশৰ শাসন- প্ৰণালী, চৰকাৰে গ্ৰহণ কৰা নতুন নীতি, নতুন আইন- কানুন গ্ৰহণ কৰা ব্যৱস্থা, যুদ্ধ- বিগ্ৰহ, অশান্তি, অভাৱ- অনাটন, প্ৰাকৃতিক দুৰ্যোগ আদিৰ বিষয়ে দেশৰ জনগণক অৱগত কৰোৱাটো বাতৰি কাকতৰ কৰ্তব্য। প্ৰতিদিনে জগতত সংঘটিত ঘটনাপ্ৰবাহ, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, বিজ্ঞান, বাণিজ্য, শিক্ষা, সংস্কৃতি, আমোদ- প্ৰমোদ, খেল- ধেমালিৰ বা- বাতৰিসমূহ ক্ষিপ্ৰ গতিৰে, শুদ্ধ আৰু তথ্যভিত্তিকভাৱে, পুংখানুপুংখকৈ পৰিবেশন কৰিব পৰাতেই বাতৰি কাকতৰ সাৰ্থকতা। জনগণ যদি ন্যায়সংগত প্ৰাপ্যৰপৰা, অধিকাৰৰপৰা বঞ্চিত হবলগীয়া হয় তাৰ বিৰুদ্ধেও নিৰ্ভীক, নিৰপেক্ষভাবে জনগণৰ দাবী প্ৰতিপন্ন কৰিব লাগিব বাতৰি কাকতেই।যেতিয়া শোষণকাৰীৰ, ভেজালকাৰীৰ, সন্ত্ৰাসবাদীৰ অত্যাচাৰ চলে, শাসনতন্ত্ৰ বিপন্ন হৈ যায়, পৰিকল্পনা, উদ্যোগ আদিৰ ব্যৰ্থতাই, জনস্বাৰ্থবিৰোধী লোকৰ অসামাজিক কাৰ্যকলাপে, চৰকাৰৰ ত্ৰুটি - বিচ্যুতিয়ে জনসমাজক বিপথে পৰিচালিত কৰে, তেনে সময়ত বাতৰি কাকতে ক্ষুৰধাৰ লিখনিৰে জনগণক অন্যায়ৰ বিৰুদ্ধে , শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে থিয় দিবলৈ শক্তি, উৎসাহ যোগাই ন্যায় প্ৰতিষ্ঠাৰ বাটত আগুৱাই নিবলৈ সমৰ্থ হব লাগিব। অন্যহাতে বিভিন্ন প্ৰান্তৰ আমোদ-প্ৰমোদ, খেলা- ধূলা, কৃষ্টি- সংস্কৃতি, মনোৰঞ্জক বাতৰিবোৰো প্ৰকাশ কৰি মানুহৰ মনোজগতত আনন্দৰ উদ্ৰেক কৰিব পাৰিব লাগিব। বিভিন্ন প্ৰতিষ্ঠানে বিশ্বৰ বাতৰিবোৰ প্ৰেৰণ কৰে। সেইবোৰ হৈছে- ৰয়টাৰ, ইউ.পি.আই., সমাচাৰ, নাফেন, পি. পি.টি.আই.আদি। কেতিয়াবা কেতিয়াবা উৰা বাতৰি, উদ্ভট, অবাস্তৱ কাল্পনিক কাহিনী কিছুমান পৰিবেশন কৰি জনগণক বিভ্ৰান্ত, বিপথগামী কৰাও দেখা যায়। বহু সময়ত ৰাজনীতিৰ মেৰপাকত পৰি তথা সুবিধাবাদীৰ প্ৰকোপত বাতৰি কাকতবোৰে নিজৰ দায়িত্ব পালনত অসমৰ্থ হৈ পৰে।

প্ৰশ্ন:

I) অসমৰ প্ৰথমখন বাতৰি কাকতৰ নাম

A) জোনাকী

B) অৰুনোদই

C) মৌ

D) জয়ন্তী

II) বাতৰিপ্ৰধান কাকতত প্ৰকাশিত হয়

A) উপন্যাস

B) কবিতা

C) দেশ- বিদেশৰ বাতৰি

D) গল্প

III) এখন মহিলা আলোচনীৰ নাম হল

A) গৰীয়সী

B) মায়া

C) নন্দিনী

D) বিস্ময়

IV) 'ৰামধেনু' বৰ্তমান

A) প্ৰচলিত কাকত

B) অপ্ৰচলিত কাকত

C) সাদিনীয়া কাকত

D) তিনিদিনীয়া কাকত

V) তলৰ কোনটো বাতৰি প্ৰতিষ্ঠান নহয়?

A) ৰয়টাৰ

B) নাফেন

C) পি.পি. টি. আই.

D) ভাৰতী

VI) বাতৰি কাকতে জনসাধাৰণক অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ

A) উৎসাহ যোগাব লাগে

B) উৎসাহ যোগাব নালাগে

C) ভীতিগ্ৰস্ত কৰিব লাগে

D) বিপথে পৰিচালিত কৰিব লাগে

VII) বিপৰীত শব্দ লিখা- ‘কাল্পনিক’

A) বাস্তৱিক

B) সপোন

C) উদ্ভট

D) অলৌকিক

VIII) সমাৰ্থক শব্দ লিখা- ‘জগত’

A) নীৰদ

B) বৈভৱ

C) পৃথিৱী

D) পংকজ

IX) ‘অৱগত’-শব্দটোত কি উপসৰ্গযোগ হৈছে?

A) অৱ

B) অ

C) গত

D) অঃ

b) তলত দিয়া প্ৰশ্নকেইটা চমু উত্তৰ লিখা 2x3=6

A) বাতৰি কাকতবোৰে কি কি বিষয়ৰ বাতৰি প্ৰকাশ কৰে?

B) কি ধৰণে বাতৰি প্ৰকাশ কৰিব পৰাৰ ক্ষেত্ৰত বাতৰি কাকতৰ সাৰ্থকতা নিৰ্ভৰ কৰে?

C) বাতৰি কাকতে নিজৰ দায়িত্ব পালনত কেতিয়া অসমৰ্থ হয়?

## Section B

(লিখন কলা)

(2) a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা। শিৰোনাম আৰু নীতিশিক্ষা দিবা ।   5x1=5

এখন ৰাজ্যত এটা হাতী আৰু এটা বাঘ........ৰজাই দুয়োটাক মাৰিবৰ বাবে পুৰস্কাৰ ঘোষণা......মানুহ এজনে বিষ সনা পিঠাগুৰিৰ টোপোলা থলে......খাই হাতী মৰিল.....মানুহজনে গছৰ ওপৰত কা কা কৈ গান গাই আছে.....বাঘে গান শিকাব কলে.....শিকোৱাৰ চলেৰে বাঘটোক ধৰি মাৰিলে.....ৰজাই বলী মানুহ এজনৰ সৈতে যুঁজিবলৈ কলে.....বলী মানুহজনক হাতী আৰু বাঘ মাৰিছে বুলি কোৱাত পলাল।

নাইবা

b) যিকোনো এখন ৰচনা লিখা।   5x1=5

I) দেশ ভ্ৰমণ

II) নিবনুৱা সমস্যা

3)তোমাৰ বিদ্যালয়ত অনুষ্ঠিত শিল্পী দিৱসৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰবাবে এখন প্ৰতিবেদন লিখা ।   5x1=5

4) তলত দিয়া যিকোনো এটা ফকৰা- যোজনা বুজাই লিখা।   5x1=5

I) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ

II) এশ গৰু মাৰিলে বাঘৰো মৰণ

5) তোমাৰ অঞ্চলটোৰ পথৰ পুনৰ নিৰ্মাণৰবাবে অনুৰোধ জনাই চৰকাৰী বিভাগলৈ এখন চিঠি লিখা। চিঠিত নাম আৰু ঠিকনা সাংকেতিক চিহ্নত লিখিবা।   5×1=5

6) তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা (যিকোনো ৫ টাৰ)   1x5=5

গা জুৰ পৰ,  ঘৰ ধৰা,  চকু ৰোৱা,  মুখ মেলি থাক,  মুখত সোপা দিয়া,  দাঁত ওঁঠে নালাগ

## Section-C

(ব্যাকৰণ)

7) তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখা । 1x4=4

I)নিৰাকাৰ

A) নিঃ+আকাৰ

B) নিৰ+আকাৰ

C) নি+আকাষ

D) নিৰা+কাৰ

II) মনোযোগ

A) মন+যোগ

B) মনঃ+যোগ

C) মনো+যোগ

D) মন+অযোগ

III) অৰ্দ্ধেক

A) আধা+এক

B) আধা+অক

C) অৰ্দ্ধ+এক

D) আধ+এক

IV) নাৱৰীয়া

A)নাও+অৰিয়া

B)নাও+অৰীয়া

C)না+ওৰীয়া

D)নাও+ৰীয়া

8) শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা। 1x2=2

I) সংস্কৃত ভাষাত উপসৰ্গ কেইটা?

A) কুৰিটা

B) দহটা

C) চাৰিটা

D) দুটা

II) 'দুঃসাধ্য'- শব্দটোত কি উপসৰ্গ যোগ হৈছে?

A) দুঃ

B) দুৰ

C) দু

D) দূ

9) উত্তৰ লিখা 1x2=2

I) তলৰ কোনটো অনুসৰ্গ নহয়?

A) ও

B) এ

C) হি

D) সু

II) 'হঁক'- অনুসৰ্গটো কি অৰ্থত ব্যৱহাৰ হয় ?

A) অনিশ্চয়তা

B) অনুৰোধ

C) দৃঢ়তা

D)আশ্চৰ্য

10) শুদ্ধ সমাৰ্থক শব্দ বাছি উলিয়াই লিখা । 1x2=2

I) চন্দ্র

A) জগদীশ

B) সুধাকৰ

C) সৰিৎ

D) নীৰদ

II) ৰাতি

A) সৰোজ

B) নীলিমা

C) যামিনী

D) সবিতা

11) বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা । 1x2=2

I) গধুৰ

A) পাতল

B) গহীন

C) নম্ৰ

D) আচল

II) বিনয়

A) ঘৃণা

B) গৰ্ব

C) অবৈধ

D) বিগ্ৰহ

12) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা 1x4=4

I)অকৃতজ্ঞ লোকে ক'তো স্থান নাপায়

A) সৰল বাক্য

B) জটিল বাক্য

C) মিশ্ৰ বাক্য

D) যৌগিক বাক্য

II) মই যেতিয়া পঢ়ো, ৰামে তেতিয়া খেলে

A)সৰল বাক্য

B)যৌগিক বাক্য

C)মিশ্ৰ বাক্য

D)জটিল বাক্য

III) লাচিতে মোগলক পৰাস্ত কৰিলে আৰু  গুৱাহাটীৰপৰা খেদিও দিলে

A) সৰল বাক্য

B) যৌগিক বাক্য

C) জটিল বাক্য

D) মিশ্ৰ বাক্য

IV) যদিও ৰীণা পঢ়া শুনাত ভাল তথাপি ব্যৱহাৰ বেয়া

A) সৰল বাক্য

B) যৌগিক বাক্য

C) মিশ্ৰ বাক্য

D) জটিল বাক্য

13) উত্তৰ লিখা 1x2=2

I) ধাতু বুলিলে কি বুজা?

II) ধাতুৰ দুটা উদাহৰণ লিখা ।

14) উত্তৰ লিখা 1×2=2

I)কাল কাক বোলে?

II) কাল কেই প্ৰকাৰৰ আৰু কি কি ?

## Section-4

(গদ্য ভাগ)

15) তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । 4×1=4

I) অসমৰ বৈচিত্ৰপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিত অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে- কথাষাৰৰ তাৎপৰ্য বুজাই লিখা।

II) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল, আফতাবহঁত কি বিপদত পৰিছিল? এই বিপদৰপৰা সিহঁতক কোনে উদ্ধাৰ কৰিছিল?

16) চমু উত্তৰ লিখা( যিকোনো এটাৰ) 2x1=2

I) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি?

II) কোনসকল ব্যক্তিক উদ্যোগী বুলি কোৱা হয়?

17) উত্তৰ লিখা 1x4=4

I) মহীচন্দ্ৰ মিৰি কোন?

II) নিগনা চিকাৰীৰ প্ৰকৃত নাম কি?

III) অসমৰ মংগোলীয় জনগোষ্ঠীৰ লোক কোনবিলাক?

IV) এজন সফল উদ্যোগী হ'বলৈ কি কি গুণৰ প্ৰয়োজন?

(পদ্য ভাগ)

18) যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা 4x1=4

I) তোমাৰ পাঠত থকা বৰগীতটিৰ মূলভাৱ লিখা।

II) পানী মৰে পিয়াহত অগ্নি মৰে জাৰত

খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত।- কবিতাফাঁকিৰ অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা।

19) চমু উত্তৰ লিখা ( যিকোনো এটাৰ) 2x1=2

I) বৰগীতৰ চাৰিটা লক্ষণৰ বিষয়ে লিখা।

II) প্ৰশস্তি কবিতাটোত কবিয়ে কিয় আৰু কাৰ প্ৰশস্তি কৰিছে?

20 ) উত্তৰ লিখা 1x4=4

I) বৰগীত কি ভাষাত ৰচিত?

II) মাধৱদেৱৰদ্বাৰা ৰচিত এখন ঝুমুৰাৰ নাম লিখা।

III) জিকিৰ শব্দটো কি শব্দৰপৰা ওলাইছে আৰু জিকিৰৰ ৰচক কোন?

IV) ৰঘুনাথ চৌধাৰীক কি কবি হিচাপে জনা যায়?

............